# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
**Date :** 23-11-2025

**Time :** 1205 Hrs.

# *Assamese Midday Bulletin*

০০০০০০

অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়নৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত উচ্চস্তৰীয় সমিতিৰ পৰামৰ্শাৱলী কাৰ্যকৰী কৰণ সন্দৰ্ভত কালি দিছপুৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত তৃতীয়খন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্য চৰকাৰৰ প্ৰতিনিধিবৰ্গ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গ উপস্থিত থাকে। এই বৈঠকতে অসম চুক্তিৰ ছয় নম্বৰ দফাকে ধৰি ৰূপায়ণ হ'বলৈ বাকী থকা কেইবাটাও দফা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত পৰামৰ্শ দিয়াৰ বাবে অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাৰ অধ্যক্ষতাত তিনিগৰাকী মন্ত্ৰীগোট আৰু আছুৰ তিনিজন নেতাকলৈ গঠিত উপ-সমিতিয়ে মুখ্যমন্ত্ৰীক তেওঁলোকৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰে। উপ-সমিতিয়ে প্ৰতিবেদনত ন্যায়াধীশ গৰাকীৰ নেতৃত্বাধীন উচ্চস্তৰীয় সমিতিয়ে আগবঢ়োৱা তথা ৰাজ্য চৰকাৰে নিজাববীয়াকৈ কাৰ্যকৰী কৰিব পৰা পৰামৰ্শ কেইটা নিৰ্ধাৰিত সময়ত কাৰ্যকৰী কৰাৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰি দিছে। উল্লেখযোগ্য যে বিপ্লৱ শৰ্মা সমিতিয়ে দাখিল কৰা ৬৭ টা পৰামৰ্শৰ ভিতৰত ৪০ টা ৰাজ্য চৰকাৰৰ আওতাৰ ভিতৰত পৰে। একেদৰে ১৫ টা কেন্দ্ৰীয় চৰকাৰৰ আৰু ১২ টা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ প্ৰচেষ্টাৰে কাৰ্যকৰী কৰিবলগীয়া হ'ব। এই সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই এইদৰে কয়-

বাইট (সমুজ্জ্বল)

সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয় চৰকাৰৰ আওতাৰ তথা সংবিধান সংশোধনৰ প্ৰয়োজন হোৱা পৰামৰ্শাৱলী কাৰ্যকৰী কৰণৰ বিষয়টো আলোচনা কৰাৰ বাবে অহা বছৰৰ ৩১ জানুৱাৰীৰ ভিতৰত সংগঠনটোৰ সৈতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰাৰ দাবী জনাইছে।

০০০০০০

গোৱাৰ পানাজীত যোৱা ২০ নৱেম্বৰৰ পৰা অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- IFFI-ত আজি ববিতা শৰ্মা পৰিচালিত **ভূপেনদা আনকাট** ছবিখন প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। চলচ্চিত্ৰ মহোৎসৱৰ কালি তৃতীয় দিনা ইটালিয়ান, বাংলা, অসমীয়া ছবিকে ধৰি বহু প্ৰসিদ্ধ পৰিচালকৰ ছবি প্ৰদৰ্শন কৰা হয়।

এছিয়াৰ অন্যতম পুৰণি আৰু সন্মানীয় এই চলচ্চিত্ৰ মহোৎসৱত দেশ-বিদেশৰ চলচ্চিত্ৰ নিৰ্মাতা, শিল্পী, কলাকুশলী তথা চলচ্চিত্ৰ প্ৰেমীসকলৰ আগমন হৈছে। এইবাৰৰ মহোৎসৱক জাপানক বিশেষ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰ হিচাপে মৰ্যাদা দিয়া হৈছে। তদুপৰি স্পেইন, সহযোগী ৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াক মূল আকৰ্ষণ হিচাপে ৰখা হৈছে। এইবাৰৰ মহোৎসৱত দেশ-বিদেশৰ ২৭০ খনতকৈও অধিক চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱত ৮০ খনতকৈও অধিক দেশৰ অতিথি আৰু চলচ্চিত্ৰ নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিছে। আঠ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱ ২৮ নৱেম্বৰত সামৰণি পৰিব।

০০০০০০

শ্ৰমিকসকলৰ কল্যাণৰ বাবে সজাগতাপূৰ্ণ পৰিৱেশ সৃষ্টিৰ লক্ষ্যৰে আজিৰ দিনটো শ্ৰমিক কল্যাণ দিৱস হিচাপে পালন কৰা হৈছে। ৰাজ্য চৰকাৰে বিশিষ্ট শ্ৰমিক নেতা প্ৰয়াত সন্তোষ কুমাৰ তপ্নৰ জন্ম বাৰ্ষিকী উপলক্ষে প্ৰতিবছৰে ২৩ নৱেম্বৰৰ দিনটো এই দিৱস হিচাপে পালন কৰি আহিছে। এই উপলক্ষে আজি ডিব্ৰুগড় জিলাৰ চাবুৱাৰ দিনজয় ফিল্ডত দিনৰ ১১ বজাৰ পৰা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ৰ নাগৰিকৰ বাবে বিভিন্ন সেৱা লাভ কৰাটো ক্ষীপ্ৰ-সূচল আৰু সহজসাধ্য কৰি তুলিবলৈ ডিব্ৰুগড় পৌৰ নিগমৰ ৱেবছাইট মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় পৌৰ নিগমৰ সভা কক্ষত অনুষ্ঠিত এখন সাধাৰণ সভাত অংশ লৈ ডিব্ৰুগড়ৰ উন্নয়ন, আন্তঃগাঁথনি, পৰিষ্কাৰ-পৰিচ্ছন্নতা, অনাময় ব্যৱস্থাকে ধৰি বিভিন্ন বিষয় পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে ৰাইজৰ সুবিধাৰ্থে সকলো কাম নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনায়। এই সভাত ৰাজ্যৰ মন্ত্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰকে ধৰি ভালে সংখ্যক ব্যক্তি উপস্থিত আছিল।

০০০০০০

ৰাষ্ট্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ বিভাগৰ অসমৰ মুখ্য অভিযন্তা দেৱজিৎ দাসে যোৰহাট-মাজুলী সংযোগী দলংখনৰ নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ হোৱা সন্দৰ্ভত কালি মাজুলীত গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, যে পূৰ্বে এই দলংখনৰ কাম ৩৩ শতাংশ সম্পন্ন হৈছিল যদিও পুনৰ নিবিদাৰ জৰিয়তে আন এটা নিৰ্মাণকাৰী সংস্থাক দলংখনৰ বাকী থকা কামখিনি সম্পূৰ্ণ কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হৈছে। এই নতুন সংস্থাটোৱে দলংখনৰ বাকী থকা কামখিনিৰ বাবে প্ৰাৰম্ভিক কাম আৰম্ভ কৰিছে যদিও অহা ডিচেম্বৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দলংখনৰ পুনৰ নিৰ্মাণৰ কাম আনুষ্ঠানিকভাৱে মুকলি কৰিব বুলি শ্ৰীদাসে প্ৰসংগক্ৰমে উল্লেখ কৰে।

০০০০০০

**সমাপ্ত**